

Dogo Rangsang Research Journal
(A Bilingual Research Journal indexed in UGC-CARE List)
Vol.: VIII :: Issue: XIV :: July, 2021

# DOGO RANGSANG
## RESEARCH JOURNAL
# দগো ৰাংছাং

ISSN : 2347-7180

গৱেষণা পত্ৰিকা



CHIEF EDITOR (HON.) :
Dr. Upen Rabha Hakacham
EDITORS (HON.) :
Dr. Lalit Chandra Rabha
Dr. Neeva Rani Phukan

মুখ্য সম্পাদক (অবৈতনিক) ঃ
ড° উপেন ৰাভা হাকাচাম
সম্পাদকদ্বয় (অবৈতনিক) ঃ
ড° ললিত চন্দ্ৰ ৰাভা
ড° নিভা ৰাণী ফুকন

সূচীপত্ৰ

# CONTENT...

অসমীয়া বিভাগ ঃ


(১) অসমীয়া পৰম্পৰাগত জ্ঞান প্ৰণালীৰ উৎকৃষ্ট নিদৰ্শন ডাকৰ বচন ঃ এক আলোচনা
❑ ড° সংগীতা শইকীয়া /১

(২) মাজুলীৰ মৃৎশিল্প ঃ নিৰ্মাণ পদ্ধতি, সংৰক্ষণ আৰু সংবৰ্দ্ধন
❑ ড° হৰেন হাজৰিকা /১৫

(৩) অসমৰ প্ৰেক্ষাপটত স্থায়ী নাটশালা ঃ এটি পৰিচয়মূলক অধ্যয়ন
❑ ৰাজেশ্বৰ বড়ো /২১

(৪) সত্যপ্ৰসাদ বৰুৱাৰ দুখন নাটকত নাৰী চৰিত্ৰৰ বিচিত্ৰতা
❑ ড° ইন্দ্ৰানী ডেকা ❑ বিস্মিতা দেৱী /৩২

(৫) মুখা শিল্প ঃ এটি অৱলোকন
❑ ড° অম্বেশ্বৰ গগৈ ❑ বি. ডি. নিশা /৪৫

(৬) অৰূপা পটঙ্গীয়া কলিতাৰ চুটিগল্পত প্ৰতিবাদী নাৰীকণ্ঠ ঃ নিৰ্বাচিত পাঁচটা গল্পৰ আধাৰত এক বিশ্লেষণাত্মক অধ্যয়ন
❑ ড° কুসুম্বৰ বৰুৱা ❑ অমল চন্দ্ৰ দাস /৫২

(৭) লক্ষ্মীনাথ বেজবৰুৱাৰ সাধুকথাত লোকজীৱন
❑ হিমাশ্ৰী দলে /৬০

(৮) শিৱসাগৰ জিলাৰ গাৰো জনগোষ্ঠীৰ সমাজ আৰু সংস্কৃতি ঃ এক ক্ষেত্ৰ ভিত্তিক অধ্যয়ন
❑ প্ৰণৱ দুৱৰা /৭২

(৯) শদিয়া অঞ্চলৰ আহোম জনগোষ্ঠীৰ জীৱনবৃত্ত সম্বন্ধীয় লোকাচাৰ ঃ এটি আলোচনা
❑ মাধৱ চন্দ্ৰ বৰুৱা /৮০

(১০) দিলীপ বৰাৰ 'কলিজাৰ আই' উপন্যাসৰ শিল্প-ৰীতি
❑ ভূপেন গগৈ /৯২

(১১) পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীতত স্বদেশপ্ৰেম ঃ এটি অধ্যয়ন
❑ ৰঞ্জন দত্ত /১০৫

(১২) অতুল চন্দ্ৰ হাজৰিকাৰ নৰকাসুৰ ঃ পৌৰাণিক নাটকৰ দৃষ্টিৰে নাট্য-বিচাৰ
❑ জ্ঞানশ্ৰী দত্ত /১১৫

(১৩) আধুনিক অসমীয়া নাটকত লোক-কথাৰ পুনৰনিৰ্মাণ
❑ ভূপা পাটগিৰি /১২২

Dogo Rangsang Research Journal
(A Bilingual Research Journal
Indexed in UGC-CARE List)

ISSN : 2347-7180
Vol. VIII, Issue XIV, July, 2021

# পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীতত স্বদেশপ্ৰেম ঃ এটি অধ্যয়ন

☐ ৰঞ্জন দত্ত
গৱেষক ছাত্ৰ, অসমীয়া বিভাগ, কটন বিশ্ববিদ্যালয়, ভ্ৰাম্যভাষ ঃ ৮৬৩৮৬-৭৬৪২৫
ই মেইল ঃ ranjandutta726@gmail.com

**সংক্ষিপ্তসাৰ ঃ** *অসমীয়া গীতি-সাহিত্যলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা গীতিকাৰ সকলৰ ভিতৰত 'পাৰ্বতিপ্ৰসাদ বৰুৱা' (১৯০৪-১৯৬৪) অন্যতম। অসমীয়া গীতি-সাহিত্যৰ জগতত জ্যোতিপ্ৰসাদ আগৰৱালা (১৯০৩-১৯৫১), বিষ্ণুপ্ৰসাদ ৰাভা (১৯০৭-১৯৬৯)ৰ লগতে পাৰ্বতিপ্ৰসাদ বৰুৱাৰ নাম উচ্চাৰিত হয়। পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীতৰ কথা আৰু সুৰৰ সন্মোহনী শক্তিয়ে পাঠক শ্ৰোতাৰ অন্তৰত নিগাজি স্থান লাভ কৰিবলৈ সক্ষম হৈছে। জ্যোতিপ্ৰসাদৰ দৰে তেওঁ অসমীয়া থলুৱা লোকগীত, আইনাম, ধাইনাম, গোসাঁই নাম, বিহুনাম, বিয়ানাম আদিৰ সুৰত গীত ৰচনা কৰি অসমীয়া গীতি-সাহিত্যৰ শ্ৰীবৃদ্ধি কৰিছিল।*

*গীতি-সাহিত্যৰ প্ৰায়বোৰ বৈশিষ্ট্য পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীতত দেখা পোৱা যায়। গীতি-সাহিত্যৰ বিষয়বস্তু আৰু বৈশিষ্ট্যলৈ লক্ষ্য ৰাখি, তেওঁৰ গীতসমূহক বিভিন্ন ভাগত ভাগ কৰিব পাৰি—প্ৰকৃতি-বিষয়ক, প্ৰেমমূলক, স্বদেশ প্ৰেম তথা জাতীয় চেতনাৰ গীত, মানৱপ্ৰেমৰ গীত, গ্ৰাম্য জীৱনৰ চিত্ৰ প্ৰকাশক গীত, আধ্যাত্মিকভাৱৰ গীত আদি। এখন ক্ষুদ্ৰ গৱেষণা-পত্ৰৰ মাজেৰে সকলোবোৰ দিশ আলোচনা কৰা সম্ভৱ নহয়। সেয়ে বিষয়ৰ গুৰুত্ব আৰু গৱেষণা-পত্ৰৰ পৰিসৰৰ প্ৰতি লক্ষ্য ৰাখি 'পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীতত স্বদেশপ্ৰেম'—উক্ত বিষয়টো আলোচনাৰ বাবে নিৰ্বাচন কৰা হৈছে। পৰনাথ শৰ্মা সম্পাদিত 'পাৰ্বতিপ্ৰসাদ বৰুৱাৰ ৰচনাৱলী'ক মূখ্য উৎস আৰু বিভিন্ন গ্ৰন্থ আলোচনী আদিৰ সহায়লৈ, বিশ্লেষণাত্মক পদ্ধতি আগত ৰাখি বিষয়টো আলোচনাৰ প্ৰয়াস চলোৱা হ'ব।*

**বীজ শব্দ ঃ** *গীতি-সাহিত্য, পাৰ্বতিপ্ৰসাদ বৰুৱা, স্বদেশপ্ৰেম, জাতীয়-চেতনা আদি।*

**০.০০ অৱতৰণিকা ঃ**

**০.০১ বিষয়ৰ পৰিচয় ঃ**

অসমীয়া সাহিত্যৰ এটি অতি গুৰুত্বপূৰ্ণ আৰু বিশিষ্ট বিভাগ হৈছে—গীতি-সাহিত্য। গীতি-সাহিত্যৰ বীজ অসমীয়া থলুৱা লোক-গীতত নিহিত হৈ আছে যদিও, লিখিত গীতি-সাহিত্যৰ প্ৰমাণ খ্ৰীষ্টিয় অষ্টম-দশম শতিকাৰৰ 'চৰ্যাপদ'ৰ মাজত পোৱা যায়।

আলোচনাৰ সুবিধাৰ্থে লিখিত অসমীয়া গীতি-সাহিত্যক চাৰিটা ভাগত বিভক্ত কৰিব পাৰি—